**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 14-OCT-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***

———————————————

জুবিন গাৰ্গৰ মৃত্যু সন্দৰ্ভত সাক্ষ্য দিবলৈ কালি ছিংগাপুৰৰ তিনিজন প্ৰবাসী অসমীয়া অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ কাৰ্যালয়ত হাজিৰ হয়। পৰিক্ষিত শৰ্মা, সিদ্ধাৰ্থ বৰা আৰু জাঅ'লাংছাত নাৰ্জাৰী নামৰ এই লোককেইজনক এছ আই টিয়ে  সোধা-পোছা কৰাৰ পাছত কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক  দণ্ডাধীশৰ আদালতত তেওঁলোকৰ ভাষ্য লিপিবদ্ধ কৰোৱা হয়।

ইপিনে মৰমী দাসৰ নেতৃত্বত এছ আই টিৰ এটা দল কালি জুবিন গাৰ্গৰ কাহিলীপাৰাস্থিত বাসগৃহত উপস্থিত হৈ ভিছাৰা পৰীক্ষাৰ প্ৰতিবেদন সম্পৰ্কে পৰিয়ালক অৱগত কৰে। অৱশ্যে এই প্ৰতিবেদন সন্দৰ্ভত আৰক্ষীয়ে ৰাজহুৱাকৈ কোনো তথ্য সদৰি কৰা নাই। এই তদন্ত প্ৰক্ৰিয়া ক্ষীপ্ৰ গতিত আগবাঢ়িছে বুলি ইতিমধ্যে ৰাজ্য চৰকাৰে সদৰি কৰিছে। তদন্ত প্ৰক্ৰিয়া প্ৰয়োজনতকৈ বেছি খৰতকীয়া কৰিলে তদন্ত আধৰুৱা হোৱাৰ আশংকা থকা হেতুকে জনসাধাৰণক ধৈৰ্য্য সহকাৰে বিচাৰ প্ৰক্ৰিয়াৰ সামৰণিৰ বাবে অপেক্ষা কৰিবলৈ অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনে আহ্বান জনাইছে।

এই ঘটনা সন্দৰ্ভত এছ আই টিয়ে আজি ৰাজ্যৰ ১৩ গৰাকী বিশিষ্ট ব্যক্তিৰ সৈতে বৈঠকত মিলিত হ'ব। এই ব্যক্তিসকলৰ ভিতৰত সাংবাদিক মনোজ কুমাৰ গোস্বামী, সদৌ অসম ছাত্ৰ সন্থাৰ মুখ্য উপদেষ্টা ড০ সমুজ্জল কুমাৰ ভট্টাচাৰ্য, সাহিত্যিক-সাংবাদিক অনুৰাধা শৰ্মা পূজাৰী, ডাঃ হিতেশ বৰুৱা, সাহিত্যিক ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰী আৰু উদীয়মান গীতিকাৰ ৰাহুল গৌতম শৰ্মাও আছে। অৱশ্যে ইয়াৰে কেইবাগৰাকীও ব্যক্তিয়ে এই আমন্ত্ৰণ গ্ৰহণ কৰা নাই আৰু বৈঠকত উপস্থিত থাকিব নোৱাৰে বুলি প্ৰকাশ কৰিছে। সদৌ অসম ছাত্ৰসন্থাই এই আলোচনাত অংশ নলয় বুলি স্পষ্ট কৰি দিছে। একেদৰে সাহিত্যিক ফনীন্দ্ৰ কুমাৰ দেৱ চৌধুৰীয়েও এই আমন্ত্ৰণ অস্বীকাৰ কৰিছে।

জুবিন গাৰ্গৰ সহযোগী কণ্ঠশিল্পী শতাব্দী বৰাৰো কালি কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালতত ভাষ্য গ্ৰহণ কৰা হয়। উল্লেখযোগ্য যে, ছিংগাপুৰত জুবিন গাৰ্গৰ মৃত্যুৰ সময়ত ঘটনাস্থলীত উপস্থিত থকা ১১ গৰাকী প্ৰবাসী অসমীয়ালৈ আৰক্ষীয়ে চমন জাৰি কৰিছিল। এই চমন মানি কিছুদিন পূৰ্বে ৰূপকমল কলিতা নামৰ প্ৰবাসী অসমীয়াজন এছ আই টিৰ সন্মুখত হাজিৰ হৈ ভাষ্য দিছিল। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি ভাষ্য দিবলৈ নহা ছিংগাপুৰৰ ঘটনাস্থলীত উপস্থিত থকা প্ৰবাসী সকলৰ বিৰুদ্ধে আইনী ব্যৱস্থা লোৱা হ'ব বুলি সকিয়াই দিছিল।

০০০০০০

এ ডি আৰ ইৰ চতুৰ্থবৰ্গৰ পদসমূহৰ ফলাফল কাইলৈ ঘোষণা কৰা হ'ব। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা সদৰি কৰি  কয়, যে কাইলৈ দিনৰ চাৰে ১০ বজাত সংশ্লিষ্ট ৱেবছাইটত প্ৰাৰ্থীসকলে ফলাফলসমূহ লাভ কৰিব। তেওঁ লগতে ১৫ৰ পৰা ১৭ অক্টোবৰৰ ভিতৰত স্নাতকোত্তৰ শিক্ষকৰ পদসমূহৰ ফলাফল ঘোষণা কৰা হ'ব বুলি প্ৰকাশ কৰে। অক্টোবৰৰ ভিতৰত ৩৫ হাজাৰ যুৱক-যুৱতীয়ে চৰকাৰী চাকৰি লাভ কৰিবলৈ সমৰ্থ হোৱা বুলিও তেওঁ উল্লেখ কৰে।

রাজ্য চৰকাৰে অহা ৫ বছৰত দুই লাখতকৈ অধিক যুৱক-যুৱতীক নিযুক্তি দিয়াৰ বাবে পৰিকল্পনা গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে ফে'চবুক লাইভযোগে এই কথা প্ৰকাশ কৰি কয়, যে ৰাজ্যৰ নিবনুৱা সমস্যা সমাধানৰ বাবে চৰকাৰে এই পদক্ষেপ গ্ৰহণ কৰিছে। নৱেম্বৰ মাহত আৰক্ষীৰ ভালেমান পদত নিযুক্তিৰ ব্যৱস্থা কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে।

০০০০০০

চলচ্চিত্ৰ সমাজৰ বাবে গঠনমূলক আৰু মানৱতাবাদী হোৱা উচিত। গঠনমূলক চলচ্চিত্ৰইহে দৰ্শকক সঠিক মাৰ্গ দেখুৱাব পাৰে বুলি কালি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা জাহ্নু বৰুৱাই ডিব্ৰুগড়ত মন্তব্য কৰে। অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰযমল কানৈ মহাবিদ্যালয় গোটৰ উদ্যোগত অষ্টবিংশতিতম ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে এই মন্তব্য কৰে। বক্তৃতাৰ আৰম্ভণিতে জাহ্নু বৰুৱাই ড° যোগীৰাজ বসু আৰু কৃষ্ণকান্ত সন্দিকৈৰ সংস্কৃত পাণ্ডিত্যৰ কথা শ্ৰদ্ধাৰে সোঁৱৰাৰ লগতে সংস্কৃত ভাষাক এটা শক্তিশালী ভাষা বুলি উল্লেখ কৰে। এই অনুষ্ঠানত ডিব্ৰু মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ, কেইবাগৰাকীও প্ৰাক্তন অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, ডিব্ৰুগড় চহৰৰ ভালেসংখ্যক ব্যক্তি আৰু মহাবিদ্যালয় পৰিয়ালৰ সদস্যসকল উপস্থিত থাকে।

০০০০০০

বিজেপিৰ ৰাজ্যিক সাংগঠনিক সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজু আৰু ৰাজ্যিক সাধাৰণ সম্পাদক ৰিতুপৰ্ণ বৰুৱাৰ উপস্থিতিত কালি ডিব্ৰুগড় জিলাৰ দুটাকৈ সমষ্টিত দুখন সাংগঠনিক সভা অনুষ্ঠিত হয়। চাবুৱা-লাহোৱাল আৰু দুলীয়াজান বিধানসভা সমষ্টিভিত্তিত দুলীয়াজান ক্লাবত আৰু নাহৰকটীয়া-টিংখাং বিধানসভা সমষ্টিভিত্তিত ৰাজগড় পৰিষদ জিলা ভৱনত এই বিশেষ সভা দুখন অনুষ্ঠিত হয়। এই সভাত নিৰ্বাচনকেন্দ্ৰিক গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত বিস্তৃতভাৱে আলোকপাত কৰা হয়। জিলা সভাপতি দুলাল বৰা, জিলা প্ৰভাৰী তপন গগৈ, সহ-প্ৰভাৰী লক্ষ্মীনাথ তাছা, বিধায়কদ্বয় – বিনোদ হাজৰিকা আৰু তেৰছ গোৱালা তথা ৰাজ্যিক কাৰ্য নিৰ্বাহক সদস্য ইন্দ্ৰ গগৈয়ে অংশগ্ৰহণ কৰে। নাহৰকটীয়া আৰু টিংখাং বিধানসভা সমষ্টিভিত্তিক সভাত কেবিনেট মন্ত্ৰী তথা টিংখাং বিধানসভা সমষ্টিৰ বিধায়ক বিমল বৰা আৰু নাহৰকটীয়া বিধানসভা সমষ্টিৰ বিধায়ক তৰংগ গগৈও উপস্থিত থাকে।

০০০০০০

ডিব্ৰুগড়ত কালি আদিবাসী চাহ জনগোষ্ঠীৰ লোকসকলে জনজাতিকৰণৰ দাবীত প্ৰতিবাদ সাব্যস্ত কৰে। জিলাখনৰ ১৭৭ খন চাহ বাগিচাৰ শ্ৰমিকে চৌকিদিঙি চাৰিআলিত সমবেত হৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। ইপিনে, কোচ ৰাজবংশী জনগোষ্ঠীক জনজাতিকৰণৰ দাবীত কালি সদৌ অসম কোচ ৰাজবংশী ছাত্ৰসন্থাৰ ডিব্ৰুগড় জিলা সমিতিয়ে জিলাখনত দুঘণ্টাজোৰা অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰে।

০০০০০০

সমাপ্ত